এই সময় চোৱাতেই চীনৰ লগত ভাৰতৰ সম্বন্ধ গঢ়ি উঠে। ৬৪ খৃঃ পূঃ ত চীন দেশৰ পৰা ভাৰতলৈ ৰাজদূত আহে। তেতিয়া চীনে ভাৰতক নৰাবগৰি (Peach) আৰু নাচপতি (Fear) উপহাৰ দিয়ে।

কুশান সকলৰ ৰাজত্ব কালতে বৌদ্ধ ধৰ্ম্মৰ মত দুভাগত বিভক্ত হয়। 'মহাজন' আৰু 'হীনযান', ভাৰতে এই দুয়ো মতকে তৰ্কসভাত উত্থাপন কৰিলে। বহু ঠাইৰ প্ৰতিনিধিয়ে এই সভাত যোগ দিছিল। কাশ্মীৰেই এই তৰ্ক সভাৰ কেন্দ্ৰস্থল হল। "নাগাৰ্জ্জুন" বৌদ্ধ পণ্ডিতৰ প্ৰভাৱত মহাজন দলে ভাৰতত জয়ী হল। মহাজনীয়া পন্থৰে চীনদেশ চলিল আৰু হীনযান পন্থত সিংহল দ্বীপ আৰু ব্ৰহ্মদেশ ৰল। কুশান সকলে ভাৰতত বসতি কৰি ভাৰতৰ আচাৰ ধৰ্ম্ম ললে, চন্দ্ৰগুপ্তই ভাৰতভূমিৰ পৰা শত্ৰুক বহিষ্কাৰ কৰিলে।

বাৰে বাৰে বিদেশী আক্ৰমণৰ পৰা ভাৰতক ৰক্ষা কৰিব লগীয়া হোৱাত ব্ৰাহ্মণ আৰু ক্ষাত্ৰিয়ৰ ভিতৰত একতা গঢ়ি উঠিল। এই একতাৰ ভিত্তিতেই ভাৰত হিন্দু ধৰ্ম্মত প্ৰতিস্থিত হল।

গুপ্ত কালৰ শাসক সকলৰ ভিতৰত সমুদ্ৰগুপ্ত আন এজন পৰাক্ৰমী শাসক। এওঁক ভাৰতৰ "নেপোলিয়ন" বুলিছিল। এই গুপ্ত ৰাজ্যৰ সময় চোৱাতেই ভাৰত শিক্ষা, ধৰ্ম্ম, কলা, কৃষ্টি আদিত বহু বিষয়ে উন্নতি কৰিছিল।

৪ৰ্থ শতাব্দীৰ আৰম্ভনীৰ পৰাই ১৫০ বছৰ কাল গুপ্তৰাজ্যই ভাৰতত পৰাক্ৰমী আৰু সমৃদ্ধিশালী হৈ উঠিল। ইয়াৰ পাচতো প্ৰায় ১৫০ বছৰ কাল এওঁলোকৰ উত্তৰাধিকাৰীয়ে ৰাজত্ব কৰে। এওঁলোক পাচত অতি দুৰ্ব্বল হ'ল আৰু গুপ্ত ৰাজ্য সৰু সৰু ৰাজ্যত পৰিণত হ'ল। মধ্য এচিয়াৰ পৰা দলে দলে আক্ৰমণকাৰী দল আহি ভাৰতত সোমাল এওঁলোকৰ ভিতৰত আছিল "বগাহুন সকল"। এই বগা হুনসকলে অটীল্যৰ অধীনত ইউৰোপত উৎপাত কৰে। মহীৰগুলা এই হুন-সকলৰ নেতা আছিল। হালোবৰ্দ্ধণে শক্তিশালী দল গঠন কৰি এই

হুনবিলাকক পৰাস্ত কৰি মহীৰগুলাক বন্দী কৰে। গুপ্ত বংশৰ উত্তৰাধিকাৰী 'বালাদিত্যই' তেওঁক মুকলি কৰি দি ভাৰতৰ পৰা যাবলৈ কয়। কিন্তু মহীৰগুলাই তাৰ পৰিবৰ্ত্তে শক্তি সংগ্ৰহ কৰি বালাদিত্যক আক্ৰমণ কৰে।

উত্তৰ ভাৰতত হুণ বিলাকৰ শাসন কাল প্ৰায় ৫০ বছৰ আছিল। বহু সংখ্যক "হুনে" ভাৰতৰ নীতি নিয়ম ল'লে। কিছুমান "হুন" ৭ম খৃঃ ত মূৰদাঙি উঠিছিল। এওঁলোকৰ কনৌজৰ ৰজা হৰ্ষবৰ্দ্ধণে এখন শক্তিশালী ৰাজ্য স্থাপন কৰে। এওঁ বৌদ্ধ ধৰ্ম্ম মানি ললে। এওঁ মহাজনীয়া পন্থা অৱলম্বন কৰিলে। এই পন্থা হিন্দু ধৰ্ম্মৰ লগত বহুত মিল, হিন্দুধৰ্ম্ম আৰু বৌদ্ধধৰ্ম্ম দুয়ো ধৰ্ম্মকেই এওঁ সহানুভূতিৰ চকুৰে চালে, এওঁৰ দিনতেই চীনদেশৰ পৰিব্ৰাজক বিখ্যাত হীউয়েনচাঙ্ (Hsuan Tsang) ৬২৯ খৃঃ ত ভাৰতলৈ আহে।

হৰ্ষবৰ্দ্ধন এজন কবি সাহিত্যিক, নাট্যকাৰ, শিল্পী আছিল। এওঁৰ ৰাজপ্ৰাসাদত কেইবাজনো সুবিখ্যাত কবি সাহিত্যিক শিল্পী আছিল। এওঁৰ ৰাজধানী উজ্জয়িনী শিক্ষাৰ বিখ্যাত কেন্দ্ৰ হৈ পৰিল। হৰ্ষবৰ্দ্ধনৰ মৃত্যু হয় ৬৪৮ খৃঃত। ঠিক এই সময়তেই আৰব মৰুভূমিত ইচ্‌লাম ধৰ্ম্মই বিকাশ পায়। এই ধৰ্ম্ম দ্ৰুত গতিত আফ্ৰিকা আৰু এচিয়াত প্ৰবেশ কৰে।

"দক্ষিণ ভাৰত"

মৌৰ্য্য সাম্ৰাজ্যৰ ১০০০ বছৰৰ পাচত দক্ষিণ ভাৰতৰ ৰাজ্য শক্তিশালী হৈ পৰে। "অন্ধ্ৰ" বিলাকে 'শক' বিলাকক যুদ্ধত পৰাস্ত কৰে। অন্ধ্ৰসকল কুশান সকলৰ সমকক্ষ হ'ল। ক্ৰমান্বয়ে "চেলুকান" আৰু ৰাষ্ট্ৰকুটজসকলে ৰাজ্য স্থাপন কৰিলে। এওঁলোকৰ দক্ষিণে "পলস্ক" বিলাক মূৰ দাঙি উঠিল আৰু চোলা ৰাজ্য স্থাপন কৰিলে। ক্ৰমান্বয়ে শক্তিশালী হৈ ভাৰত প্ৰণালী পাৰ হৈ সিংহলদ্বীপ আৰু দক্ষিণ ব্ৰহ্ম

অধিকাৰ কৰিলে। এই চোলা ৰাজ্যৰ শেষৰ ৰজা আছিল "ৰাজেন্দ্ৰ"। এওঁৰ মৃত্যু হয় ১০৪০ খৃঃত।

ধুনীয়া ধুনীয়া বস্তু উৎপাদন কৰিছিল দক্ষিণ ভাৰতে, সাগৰত বানিজ্যৰ লগত যোগাযোগ স্থাপন কৰিছিল দক্ষিণ ভাৰতে। বহু দূৰ দেশলৈ সাগৰেদি বেহা বেপাৰ লৈ গৈছিল চুলা সকলেই। পাৰস্যৰ লগত ভাৰতৰ ৰাজদুতাবাসৰ সম্বন্ধ স্থাপন কৰিছিল চালুকান ৰজাৰ দিনতেই। বিদেশী আক্ৰমনৰ সঘনে সম্মুখিন হৈছিল উত্তৰ ভাৰতেই। এই আক্ৰমণৰ ছাঁ দক্ষিণ ভাৰতত পৰা নাছিল। দক্ষিণ ভাৰতত কাৰিকৰী আৰু বিদ্যা চৰ্চ্চাৰ প্ৰভাৱ পেলায় উত্তৰ :ভাৰতেই। বিদেশী শক্তিৰ আক্ৰমনত আৰু নতুন ভাবৰ বিনিময়ত উত্তৰ ভাৰত আগুৱাই গ'ল। দক্ষিণ ভাৰত "হিন্দু ধৰ্ম্ম"ৰ লাইখুঁটা ৰূপে থিয় দি ৰ'ল।

চামে চামে এৰিয়ান্, ড্ৰাভিদিয়ান্, তুৰাণীয়ান আৰু মঙ্গোলীয়ান আহি ভাৰত সোমাল। এৰিয়ানবিলাক ড্ৰাভিদিয়ানৰ লগত মিলি গ'ল। এওঁলোকৰ দৰেই ভাৰতলৈ আহিছিল মেডিয়ানচ্, ইৰাণীয়ানচ্, গ্ৰীক্স্, বেক্‌ট্ৰিয়ানচ্, পাৰ্থিয়ানচ্, শক, কুশান, ইউয়েচী আৰু তুৰ্কী। এওঁলোকৰো বহু ভাৰতে বৈ গল।

দুৰ্দ্দান্ত যুজাৰু জনজাতি বিলাকে উত্তৰ ভাৰতৰ সমতল খণ্ড বাৰে বাৰে আক্ৰমণ কৰি ইয়াৰ ৰজাক বন্দী কৰি নতুন ৰাজধানী পাতিছিল। সময়ৰ সোঁতত এওঁলোকেও ক্ষীন মাত্ৰ চিন ৰাখি কালৰ বুকুত অদৃশ্য হৈ গল।

বিদেশী আক্ৰমণকাৰী সকলৰ ভিতৰত ইৰাণীয়ান বিলাকেই ভাৰতীয় জীৱনধাৰা আৰু অনুশীলনত পৰিপুষ্ট। ভাৰতীয়ৰ দৰেই এওঁলোকেও এওঁলোকৰ কৃষ্টি সভ্যতাৰ দ্বাৰা আনক আকৰ্ষণ কৰিব পাৰিছিল।

৭ম খৃঃ ত আৰব সকলে ইৰাণ আক্ৰমণ কৰোঁতে ইৰাণীয়ান সকলৰ কৃষ্টি ও সভ্যতাৰ প্ৰভাৱত পৰে। ফৰাচী ভাষা ও সাহিত্য ইউৰোপত বিয়পাৰ দৰে পাৰ্শীয়ান ভাষাও গোটেই এচিয়াত বিয়পি পৰে।

কনষ্টেন্টিনুপুলৰ পৰা "গুবি" মৰুভূমিলৈকে ইৰাণৰ কৃষ্টি ও সভ্যতা বিস্তাৰিত হয়। ভাৰতৰ ওপৰতো ইয়াৰ প্ৰভাব পৰে।

আফ্‌গান আৰু মোগল শাসক সকলৰ দিনত ভাৰতত আদালতৰ ভাষা আছিল পাৰ্শী ভাষা। এই ভাষা বৃটীশ শাসনৰ দিনলৈকে চলিল। বৰ্ত্তমান ভাৰতত থকা সকলো ভাষাতেই পাৰ্শী ভাষা সোমাই আছে। সংস্কৃতৰ পৰাই পাৰ্শী ভাষাৰ জন্ম। হিন্দুস্থানী ভাষাও এই সংস্কৃত ভাষাৰেই অঙ্গ। দক্ষিনাত্যৰ দ্ৰাভিদিয়ান ভাষাৰ ওপৰতো পাৰ্শীভাষাৰ প্ৰভাব পৰে।

অতীজৰে পৰা সাহিত্য জগতত ভাৰতবৰ্ষই নামজ্বলা বহু কবি ও সাহিত্যিক উদভৱ কৰিছে।

সিন্ধু উপত্যকাৰ সভ্যতাৰ লগত ইৰাণ আৰু মচেপট্ৰেমীয়া সভ্যতাৰ সামঞ্জস্য আছে। "ঋক বেদত" পাৰস্যৰ কথা উল্লেখ আছে। পাৰ্শীয়ান সকলক "পৰচ্‌ৱাস্‌" বা পৰাচিকাচ্‌" আৰু "পাৰ্থীয়ান" সকলকে "পাৰ্থচ্‌" বুলিছিল।

ভাৰতৰ উত্তৰ সীমান্তৰ ঠাই কাবুল, কান্দাহাৰ আৰু চিয়েস্তান প্ৰায়েই ভাৰতৰ ৰাজনৈতক অঙ্গ স্বৰূপ। ইয়াতেই ভাৰতীয় আৰু ইৰাণীয়ান্ সকলৰ মিলন হয়। পাৰ্থীয়ান্ সকলে ভাৰতক 'বগা ভাৰত' বুলিছিল।

খৃষ্টীয়ান্ শক আৰম্ভ হোৱাৰ আগে আৰু পিছে দুই শতাব্দীলৈকে হিন্দুধৰ্ম্মই প্ৰাধান্যতা লাভ কৰিছিল। পাৰ্থীয়ান সকল মোগলে ভাৰত আক্ৰমণ কৰাৰ আগলৈকে ভাৰতীয় হৈয়েই আছিল।

উত্তৰ ভাৰতত বেহা বেপাৰ ও বাণিজ্যই খিতাপী ললে। আৰু আন ঠাইৰ পৰা ভ্ৰমণকাৰীও ভাৰতলৈ আহিল।

তুৰক, আফ্‌গান আৰু মোগল সকলে ভাৰত জয় কৰাৰ পাচৰ পৰাই মধ্য এশিয়া আৰু পশ্চিম এচিয়াৰ লগত ভাৰতবৰ্ষ বিশেষ সম্বন্ধ সূত্ৰত আৱদ্ধ হয়।

১৫০০ শতাব্দীত ইউৰোপীয় সভ্যতাৰ জাগৰণ হয়। চমৎকাৰকন্দ

আৰু বুখ্‌ৰাট্ ইউৰোপীয় সভ্যতাৰ জাগৰণৰ লগে লগে মূৰ দাঙ্গি উঠে আৰু ইৰাণৰ দ্বাৰাও প্ৰভাবান্বিত হয়। চমাৰকন্দ আৰু বুখ্‌ৰাটতেই "টাইমূৰ" সকলৰ জাগৰণ। বাবৰ এই টাইমূৰৰ বংশধৰ। এওঁৰেই দিল্লীৰ সিংহাসনত বহে। "সোনালী কৃষ্টি" যোগৰ জন্ম দিয়ে ইৰাণে ১৬০০ খৃঃত উন্নত কৃষ্টি সভ্যতাৰে। পাৰস্যৰ ৰজাৰ লগতেই পলাতক হৈ বাবৰৰ পুত্ৰ হুমায়ুন আকৌ ভাৰতলৈ ঘূৰি আহে।

মোগল সম্ৰাট সকলে ভাৰত আৰু ইৰাণৰ মাজত গভীৰ সম্বন্ধ স্থাপন কৰিছিল। আন আন দেশৰ শিল্পী ও কাৰিকৰে মোগল সম্ৰাটৰ দৰবাৰো শোভা কৰে।

পাৰস্য আৰু ভাৰতীয় ভাবধাৰা সন্মিলিত হৈ আগ্ৰা আৰু দিল্লীত ধুনীয়া ধুনীয়া নতুন অট্টালিকা তৈয়াৰ হল। ইয়াৰ ভিতৰত জগত বিখ্যাত "তাজমহল" আজিও জিলিকি আছে। ফ্ৰান্সৰ লিখক স্বভান্তে "তাজমহলক" ইৰাণৰ আত্মাই ভাৰতত অৱতাৰ ললে বুলি উল্লেখ কৰে।

ইৰাণৰ লগত ভাৰতৰ বহু সম্বন্ধ ঘটিল। কিন্তু দুৰ্ভাগ্যক্ৰমে নাদীৰচাহৰ ভাৰত আক্ৰমনে শেষৰ সকলো স্মৃতি বিছিন্ন কৰে।

বৃটীশ শাসনে ভাৰতক সকলো দেশৰ লগতে যোগাযোগৰ পৰা বঞ্চিত কৰে। সাগৰেদি নতুন জলপথ আবিস্কাৰ কৰি ইংলণ্ডৰ লগত ভাৰতক লগ লগালে। ইৰাণ, চীন, আৰু মধ্য এচিয়া ভাৰতৰ পৰা আতৰি গল। আকাশীযানেহে আন দেশৰ পুৰণা বন্ধুৰ লগত যোগাযোগ স্থাপন কৰিলে। ভাৰতক এনেদৰে আনদেশৰ পৰা নিলগাই ৰখাটো বৃটীশ শাসনৰ এটা বৰ অশোভনীয় কথা। ই ভাৰতবাসীৰ কাৰণে দুৰ্ভাগ্যজনক।

পুৰণি ইৰাণৰ লগত ভাৰতৰ সম্বন্ধ একেদৰেই চলি থাকিল। ১৩০০ বছৰৰ আগেয়ে "ইচ্‌লাম ধৰ্ম্ম" যেতিয়া ইৰাণত সোমাই তেতিয়া কেইবা হাজাৰো জেৰুষ্ট্ৰীয়ান ভাৰতলৈ আহে আৰু নিজ আচাৰ ধৰ্ম্মলৈ পশ্চিম সাগৰৰ দাঁতিত বসতি কৰে। এওঁলোকেই পাৰ্চী বুলি জনাজাত

হল। বিয়া বাৰু আদিও নিজৰ গোষ্ঠীৰ ভিতৰতে কৰে। আৰু বেহা বেপাৰ বাণিজ্যৰো গুৰি ধৰে।

এলাহাবাদত ইৰাণীয়ান কলা কৃষ্টিৰ এগৰাকী নেতাই কৈছিল ইৰাণ আৰু ভাৰত দুয়ো ভাই ককাই। এজন পূবলৈ আৰু আনজন পশ্চিমলৈ গল। এওঁলোকৰ নাতি পুতিয়ে এই বিষয়ে সকলো পাহৰিলে। বাঁহীত বজোৱা কেইটিমান সুৰৰ লহৰহে মাথো মিলি গল। সেই কাৰণেই আমি ভাৰতলৈ আহিছো পুৰণা স্মৃতি উদ্ধাৰৰ কাৰণে।

"ভাৰত আৰু গ্ৰীচ"

পুৰণি গ্ৰীচ ইউৰোপীয় সভ্যতাৰ কেন্দ্ৰস্থল বুলি বহু মুনিৰ বহু মত। ভৌগলিক জলবায়ু লৈ গ্ৰীচ ভাৰতৰ লগত আমিল। গ্ৰীচত কোনো ডাঙৰ নদ নদী নাই। অৰণ্য নাই আৰু ডাঙৰ গছ গছনিও নাই। সাগৰে গ্ৰীচক বেচি ৰকমে আঘাট কৰিছে ভাৰতক কিন্তু কৰা নাই।

গ্ৰীচ আৰু ভাৰতীয় মনৰ চিন্তা ধাৰাত এক মিল আছে। দুয়ো প্ৰকৃতিৰ উপাসক। ভাৰতৰ ডাঙৰ ডাঙৰ নদ নদী পাহাৰ পৰ্ব্বত আৰু সমতল ভূমি বহুদূৰ ব্যাপি মনোমোহা কৰিছে! গ্ৰীচতো কিছুমান পৰ্ব্বত আছে। "অলীম্পাচ" পৰ্ব্বতক গ্ৰীচে দেৱ দেৱতাৰ বাসস্থান বুলি মান কৰে। ভাৰতেওঁ হিমালয়ক দেৱতাৰ বাসস্থান বুলি বৰ্ণনা কৰে।

কবি কালিদাস

ইউৰোপত "স্যাৰ উইলিয়াম জহনে" ১৭৮৯ খৃষ্টাব্দত কালিদাসৰ "শকুন্তলা" নাট প্ৰকাশ কৰে। কালিদাস সংস্কৃত সাহিত্যৰ শ্ৰেষ্ঠ কবি নাট্যকাৰ। কালিদাসে বহু সংস্কৃত নাট আৰু কবিতা ৰচনা কৰে। ৪ৰ্থ শতাব্দীত উজ্জয়িনীত ২য় চন্দ্ৰগুপ্ত বা বিক্ৰমাদিত্যৰ ৰাজদৰবাৰত কালিদাস নৱৰত্নৰ ভিতৰত এজন শ্ৰেষ্ঠ ৰত্ন।

কালিদাস যুগৰ লোক সকলৰ ভিতৰত অদ্বিতীয়। এওঁক মানব যুগে মানসপুত্ৰ ৰূপে লাভ কৰে। কালিদাসে জীৱনৰ সকলো সংঘাটৰ মাজে গৈ জীৱনৰ প্ৰকৃত সৌন্দৰ্য্য আৰু কোমলতাক সম্পূৰ্ণৰূপে প্ৰতিফলিত কৰে। প্ৰকৃতিৰ ভূবন ভুলুৱা মনোমোহা ৰূপত নিজেই ওপঙে।

"মেঘদূত" কালীদাসৰ কবিতা কুঞ্জৰ এটা দীঘলীয়া কবিতা। এই কবিতাত "প্ৰিয়তমাৰ পৰা প্ৰিয়তমক্" পৃথক কৰি ৰখা হৈছে। প্ৰিয়তমে আকাশ বতাহ বায়ু বৰুণ সকলোতে পাত পাতকৈ প্ৰিয়তমাক বিচাৰি ফুৰিছে। প্ৰিয়তমা কত আছে তাৰে বাতৰি দিবলৈ সকলোকে অনুৰোধ কৰিছে। আমেৰিকাৰ সাহিত্যিক "ৰীডাৰে" মেঘদূত কবিতাৰ ভাবধাৰাত মুগ্ধ হৈ কালিদাসলৈ তেওঁৰ অন্তৰৰ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে—। কবিতাৰ ভাবৰ দুটা ধাৰালৈ লক্ষ্য কৰি তেওঁ কৈছে—কবিতাৰ প্ৰথম অংশই বহিঃজগতৰ প্ৰকৃতিৰ বিবৰণ দিছে। এই বিবৰণ মানুহৰ অনুভূতিৰ লগত খাপ খোৱা। শেষৰ অংশ মানব হিয়াৰ এখন ছবি। সকলো বিবৰণতেই প্ৰকৃতিৰ মনোমোহা সৌন্দৰ্য্যৰে ভৰপুৰ। কবিতাৰ ছন্দসমূহ এনেভাবে ধুনীয়াকৈ সজাইছে যে কোন অংশনো উত্তম তাক ঠাৱৰুৱা টান।"

ইউৰোপে ১৯০০ শতাব্দীতো যি জ্ঞান আহৰণ কৰিব পৰা নাছিল কালিদাসে সেই জ্ঞান আহৰণ কৰিছিল ৫০০ শতাব্দীতেই। যি সকলে কালীদাসৰ কবিতা মালা পঢ়িছে তেওঁলোক কালিদাসৰ ঐশ্বৰিক শক্তিত মুগ্ধ।

"ভাৰতবৰ্ষ আৰু চীনদেশ"

বৌদ্ধ ধৰ্ম্মই ভাৰত আৰু চীনক এক গাঢ় সম্বন্ধত বান্ধিলে। অশোক ৰজাৰ আগেয়ে ভাৰত আৰু চীনৰ এনে সম্বন্ধ আছিল নে নাই জনা নাযায়। আগেয়ে সাগৰৰ চিল্কৰ ব্যৱসায়ত চীনৰ লগত ভাৰত জড়িত আছিল।

ভাৰতৰ পূব সীমান্তৰ লোক সকল দেখাত মঙ্গোলীয়ান সকলৰ নিচিনা। এওঁলোকৰ নেপালৰ লগতো চেহেৰাৰ মিল আছে। আসাম আৰু বঙ্গপ্ৰদেশৰ লগতো চেহেৰাৰ এনে মিল আছে।

অশোকৰ দিনত বৌদ্ধধৰ্ম্মৰ মিশন চীনদেশলৈ গল। ১০০০ বছৰ জুৰি ভাৰত আৰু চীনৰ মাজত ভ্ৰমনকাৰী দলৰ যাতায়াত চলি থাকিল।

গুবি মৰুভূমিয়েদি হিমালয় পৰ্ব্বত পাৰ হৈ বহু বিপদ ও কষ্টৰ সম্মুখিন হৈ ভ্ৰমণকাৰীৰ দল মধ্য এচিয়া পাইছিল গৈ। বহু ভ্ৰমণ-কাৰীয়ে এই বিপদ সঙ্কুল যাত্ৰাত আনকি নিজৰ প্ৰাণো বিসৰ্জ্জন দিছিল। যি সকল এবাৰ পাৰ হৈ গল তেওঁলোক আৰু দুনাই ঘুৰি নাহিল।

আৰু এটা পথ আছিল সাগৰেদি। এই সাগৰ পথেদি গৈ জাভা, সুমাত্ৰা, মালয়া আৰু নিকোবৰ দ্বীপহৈ চীন দেশ পাইছিল গৈ।

বৌদ্ধধৰ্ম্ম গোটেই মধ্য এচিয়া আৰু ইন্দুনেচীয়াৰ কিছু অংশ বিয়পি পৰিল। বহু বৌদ্ধমন্দিৰ ইয়াত গঢ়ি উঠিল। ভ্ৰমনকাৰী আহোঁতে যাওঁতে এই বৌদ্ধমন্দিৰত থাকিবলৈ সুবিধা পাইছিল। এই বৌদ্ধমন্দিৰেই ধৰ্ম্ম চৰ্চ্চাৰ কেন্দ্ৰ হৈ উঠিল।

চীনা পৰিব্ৰাজক সকল ভাৰতলৈ আহোঁতে ইন্দুনেচীয়াৰ বৌদ্ধ-মন্দিৰতে কেইবা মাহো থাকি সংস্কৃত অধ্যয়ন কৰে।

প্ৰথম ভাৰতীয় পৰিব্ৰাজক পণ্ডিত মাতঙ্গই ৬৭ খৃঃত চীন দেশ পায়। এওঁ চীন দেশৰ ৰজা মিংটীয়াংক দেখা কৰে। সম্ভব মিংটীসাঙ্গেই কাশ্যপ মাতঙ্গক নিমন্ত্ৰণ কৰিছিল।

কাশ্যপ মাতঙ্গই "লু" নদীৰ পাৰত "লুওৱাংত" বসতি কৰে। এওঁৰ লগত "ধৰ্ম্মৰক্ষক" পাচত গৈছিল। ভাৰতৰ পৰা যোৱা বিখ্যাত পণ্ডিত সকলৰ ভিতৰত বুদ্ধভদ্ৰ, জীনভদ্ৰ, কুমাৰজীৱ পৰমাৰ্থ, জীনগুপ্ত আৰু বুদ্ধিধৰ্ম্মই প্ৰধান। প্ৰত্যেকেই বহু বৌদ্ধ সন্যাসী লগত লৈ গৈছিল আৰু লুওৱাংত কিছু দিন কটাইছিল। ৬০০ খৃঃত লুওৱাংত

৩০,০০০ হাজাৰত কৈয়ো ওপৰ বৌদ্ধ সন্ন্যাসী আৰু ১০,০০০ হাজাৰত কৈয়ো ওপৰ ভাৰতীয় পৰিয়ালে বসতি কৰে। এওঁলোকে বহু সংস্কৃত গ্ৰন্থ লগত নিছিল। আৰু চীনা ভাষালৈ অনুবাদ কৰে। চীনাভাষাক এওঁলোকেই গত দিয়ে।

কুমাৰজীব ৪০১ খৃঃত চীন দেশলৈ যায়। এওঁ চীনা ভাষাত ৪৭ খন কিতাপ লিখে। এওঁ চীনা ভাষাৰ যথেষ্ট জ্ঞান লাভ কৰে। সুবিখ্যাত ভাৰতীয় পণ্ডিত নাগাৰ্জুনৰ জীৱনী এওঁ চীনা ভাষাতেই লিখে। এওঁৰ চীনা ভাষাৰ সাহিত্য খুব উন্নত আছিল।

৬০০ খৃঃ ৰ ২য় ভাগত ভাৰতীয় পণ্ডিত জীনাগুপ্ত চীন দেশলৈ যায়। এওঁ ৩৭ খন সংস্কৃত গ্ৰন্থ চীনা ভাষালৈ অনুবাদ কৰে। চীনৰ সম্ৰাট তুৱাঙে জীনাগুপ্তৰ শিষ্যত্ব গ্ৰহণ কৰে।

চীনৰ লগত ভাৰতবৰ্ষৰ দুই ৰকমে সম্বন্ধ স্থাপন হল। চীন দেশৰ পৰা বহু পণ্ডিত ভাৰতলৈ আহিছিল আৰু এওঁলোকে ভাৰতৰ লিখিত বিবৰণ থৈ গৈছে। চীনা পণ্ডিত সকলৰ ভিতৰত বিখ্যাত চীনা পৰিব্ৰাজক ফাহিয়ান্, চুংইয়ং, হীওৱেনচাং আৰু “ইচীঙেই” প্ৰধান।

৫০০ শতাব্দীত ফাহীয়ান্ ভাৰতলৈ আহে। এওঁ চীনত কুমাৰজীৱৰ শিষ্য আছিল। ফাহীয়ানে ভাৰতলৈ আহোঁতে কুমাৰজীৱে ভাৰতৰ নীতি নিয়ম আদি শিকি যাবলৈ ফাহীয়ানক উপদেশ দিছিল। উদেশ্য হল চীনে ভাৰতক ভালকৈ চিনি পাৱক।

ফাহীয়ানে পাটলিপুত্ৰ বিদ্যালয়ত শিক্ষালাভ কৰিছিল। ভাৰতলৈ অহা চীনা পৰিব্ৰাজক সকলৰ ভিতৰত হীওয়েনচাঙেই প্ৰধান।

৭০০ শতাব্দীত চীনত যেতিয়া তুৱাং বংশই ৰাজত্ব কৰে সেই সময়তেই উত্তৰ ভাৰতত হৰ্ষবৰ্দ্ধন বিশাল সাম্ৰাজ্য স্থাপন কৰে। এই সময়চোৱাতেই হীওয়েনচাং ভাৰতলৈ আহে আৰু নলন্দা বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি এম্ এল্ ডিগ্ৰী লাভ কৰে। এই বিশ্ববিদ্যালয়ৰে ভাইচ প্ৰিন্সিপালৰ পদো এওঁ গ্ৰহণ কৰে।

হৰ্ষবৰ্দ্ধন আছিল এখন বিশাল সাম্ৰাজ্যৰ বক্তা আৰু এজন

নাট্যকাৰ। এওঁ এজন সাহিত্যিকো আছিল। তিনি খন নাট এওঁ নিজে ৰচনা কৰে।

ভৱভূতি ৭০০ খৃঃ ত সুবিখ্যাত কবিৰূপে জনাজাত হয়। এওঁ সংস্কৃত সাহিত্য জগতৰ এজন উজ্জ্বল তৰা। এওঁ সংস্কৃত সাহিত্যত কবিৰূপে প্ৰায় কালিদাসৰ ওচৰ ওচৰি।

উইলচন (Wilson) অক্সফৰ্ড (Oxford) বিশ্ববিদ্যালয়ৰ সংস্কৃতৰ অধ্যাপক আছিল। এওঁ কবি কালিদাস ও ভৱভূতিৰ কথা উল্লেখ কৰি এনেদৰে কৈছে" কালিদাস আৰু ভৱভূতিৰ বাহিৰে ইমান গাম্ভীৰ্য্যপূৰ্ণ ৰসাল ভাষা আন কোনোবাই সৃষ্টি কৰিব পাৰে বুলি মোৰ মনত ঠাঁয়ে নাপায়।" শব্দৰ গাঁথনি, চন্দৰ লহৰ আৰু ভাবৰ গাম্ভীৰ্য্যতাই সংস্কৃত ভাষালৈ সঞ্জীৱনী শক্তি আনিলে। সংস্কৃত নাটকৰ সোঁত হাজাৰ বছৰ ধৰি চলিল। মুৰাৰীৰ দিনৰ পৰাই সংস্কৃত ভাষাৰ প্ৰচলন কমি আহিল আৰু ৯০০ শতাব্দীত একেবাৰে ম্লান হৈ পৰিল। চলিত যুগৰ সংঘাটত সংস্কৃত ভাষাৰ পতন হল।

ইন্দূ আফ্‌গান্ আৰু মোগল সম্ৰাট সকলৰ দিনত এওঁলোকৰ অজ্ঞভাৰ কাৰণে সংস্কৃত ভাষা ক্ৰমান্নয়ে নিস্তেজ হৈ পৰিল। ইয়াৰ উপৰিও "ইচ্‌লাম্ ধৰ্ম্ম" ভাৰতত প্ৰচাৰ হোৱাত সংস্কৃত নাটক আদিৰ প্ৰচলন সমাজত কমি আহিল। উচ্চ পৰ্য্যায়ৰ হিন্দু আৰু ধনী সম্প্ৰদায়ৰ ভিতৰতহে সংস্কৃত ভাষাৰ প্ৰচলন ৰ'ল গৈ। ৰাজনৈতিক অদল বদলৰ পৰিস্থিতিয়ে সংস্কৃত ভাষাৰ ওপৰত বেচিকৈ আঘাট কৰিলে।

আফ্‌গান আৰু তুৰকৰ সম্ৰাট সকল দিল্লীৰ সিংহাসনত বহাৰ আগেয়ে সংস্কৃত ভাষাৰ অৱনতি ঘটে। সেই কাৰণে পাৰ্চী ভাষাৰ নিচিনাকৈ সংস্কৃত ভাষাও ভাৰতৰ শিক্ষনুস্থানত শিকিব লগীয়া হল। তথাপিও সংস্কৃত নাটক মধ্যযুগলৈকে চলিয়েই থাকিল।

১৮৯২ খৃঃ ত চেক্সপীয়েৰে "মিদ্ চামাৰ ড্ৰিম্" বুলি সংস্কৃত নাটকৰ ইংৰাজীলৈ অনুবাদ কৰে।

কালিদাস আৰু আন আন সংস্কৃত সাহিত্যিক সকলৰ সাহিত্য "প্ৰাকৃত" ভাষাত লগত মিহলি। একে সাহিত্যকেই শিক্ষিত সকলে সংস্কৃতত কয় অশিক্ষিত আৰু মাইকী মানুহে "প্ৰাকৃত" ভাষাত কয়।'

সংস্কৃত কবিতা ও চন্দযুক্ত বাক্য।

সংস্কৃত নাটকৰ উন্নত সাহিত্যৰ বাহিৰেও ৰামায়ণ আৰু মহাভাৰতৰ ঘটনা সমূহে সংস্কৃত সাহিত্যত বিশেষকৈ ঠাই পাইছিল।

গ্ৰীক্ সাহিত্যৰ দৰে সংস্কৃত ভাষাতো ভাবৰ অনুকমপন প্ৰকৃতিৰ লগত বিশেষ ভাবে জড়িত। গ্ৰীক নাটকৰ মূল ভেতি শোকাবহ ঘটনাৰে পৰিপূৰ্ণ।

মানুহে কিয় ক্লেশ ভোগ কৰে? দূৰ্ঘটনা পৃথিবীত কিয় ঘটে? ধৰ্ম্মই ৰিঙ্গিয়াই কোৱা ঈশ্বৰৰ কথা কিয় মানুহে সহজে বুজি নাপায়?

এই বেচেৰা মানব জাতীয়ে শৈশবৰে পৰা মৰণলৈকে সৃষ্টি কৰ্ত্তাৰ উদ্দেশ্য উদ্ঘাটন কৰিবলৈ কত কৃত্ৰিম উপায়ে শক্তিশালী সৃষ্টিৰ পাতনি মেলিছে কিমান সংগ্ৰাম কৰিছে তাৰ সীমা নাই। মানুহে যাতনা ভূগিছে, জীৱন সংগ্ৰামৰ সম্মুখিন হৈছে। মানুহে জানিছে ও বুজিছে যে প্ৰকৃতিৰ সৃজন ৰহস্য মানুহে কোনো কালেই উদঘাটন কৰিব নোৱাৰে বুলি। কুহুকিনীৰ প্ৰহেলিকা ঠেলি প্ৰকৃতিৰ ৰহস্য ভেদা অসাধ্য বুলি মানুহে জানে।

সংস্কৃতৰ দৰে গ্ৰীক সাহিত্যই শোকাবহ ঘটনাৰ গধুৰতা দাঙ্গি ধৰিব পৰা নাই। গ্ৰীক সাহিত্যই পুনৰ-জন্ম, জন্মৰ হেতু, আৰু ফলাফল নিৰ্ণয় কৰিছে। দুৰ্যোগ দুৰ্ঘটনা বিনা কাৰণে হব নোৱাৰে বুলি ডাঠি কৈছে। এতিয়া ঘটা ঘটনা সমূহ পূৰ্ব্ব জন্মৰ কৰ্ম্মফল বুলি বৰ্ণনা কৰে। মানুহে কৰিব লগা জীৱন সংগ্ৰামত একো অন্ধশক্তি সোমাই থকা নাই; ভাবুক আৰু দাৰ্শনিকে এই সবল বাখ্যাত সন্তোষ্ট নহৈ প্ৰকৃত তথ্য আৰু সঠিক কাৰণ উদ্ঘাটন কৰাত উঠিপৰি লাগিল।

গ্ৰীক সাহিত্যত সাগৰৰ ঘুৰ্ণিবতাহৰ প্ৰলয়ঙ্কৰ মুৰ্ত্তি আকি ভয়াবহ

ঘটনাবে নাটকৰ অভিনয় কৰে। সংস্কৃত সাহিত্যত নাটকৰ সৌন্দৰ্য্য মধুৰ আৰু উপাদেয়।

সংস্কৃত সাহিত্যই আত্মজ্ঞানেৰে সবাতোকৈ উন্নত স্থান অধিকাৰ কৰিছে। জ্ঞানী আৰু মেধাবী ৰূপে ব্ৰাহ্মণ সকলেই সংস্কৃত সাহিত্যত প্ৰথম স্থান অধিকাৰ কৰে।

সংস্কৃত-সাহিত্য নিঃন্দেহে বহু উন্নত সাহিত্য। চিৰ সেউজীয়া— চিৰ যুগমীয়া লহপহীয়া মনোমোহ সৌন্দৰ্য্যেৰে সংস্কৃত সাহিত্যৰ কানন ভৰপূৰ। ২৬০০ বছৰৰো আগেয়ে লিখা পাণিনী ব্যাকৰণত এই সংস্কৃত ভাষা আজ্ঞাপালক। শব্দৰ মনোমোহা গাঁথনিৰে সংস্কৃত সাহিত্যৰ কানন ফলে ফুলে জকমকাই উঠিল। ৰসাল সাহিত্যৰ ৰস পান কৰি কবিকুল ধন্য হল। সংস্কৃত সাহিত্যই নিজৰ অস্তিত কতো বিলুপ কৰা নায়। এই সাহিত্যৰ অবনতিয়ে ৰসাল সৌন্দৰ্য্য আৰু ৰসাল উপমা লুপ্ত কৰিলে। চেক্সপীয়েৰ আদি কবি ইংৰাজ কবি সকল এই সংস্কৃত সাহিত্যত মুগ্ধ। স্যাৰ উলিয়াম জহ্‌নে মন্তব্য কৰি লিখি থৈ গৈছে সংস্কৃত ভাষা যৰ পৰাই নাহক লাগে ই এটি অতি উৎকৃষ্ট ভাষা। শব্দৰ গঠনমূলক প্ৰণালী অতি মনোৰম। ই-গ্ৰীক ভাষাতকৈ সম্পূৰ্ণ নিখুট ও নিভাজ।

উইলিয়ামৰ দৰে ফ্ৰান্স, জাৰ্ম্মানি আৰু ইংৰাজ পণ্ডিতে সংস্কৃত সাহিত্যৰ প্ৰভাৱত এটা নতুন বিজ্ঞানৰ সুত্ৰপাত কৰে। জাৰ্ম্মান পণ্ডিত সকলৰ অশেষ চেষ্টাৰ ফলত ১৯০০ শতাব্দীত সংস্কৃত ভাষাৰ তত্ত্ব বিচাৰৰ কাৰ্য্য চলিল। প্ৰত্যেক জাৰ্ম্মান বিশ্ববিদ্যালয়তেই ইয়াৰে ফলত একোতা সংস্কৃতৰ বিভাগ তৈয়াৰ হল। এই বিভাগত এজন নতুবা তাতোকৈ অধিক সংস্কৃত অধ্যাপক নিয়োগ হল। ইউৰোপে সংস্কৃত ভাষাৰ তত্ত্ব বিচাৰ কাৰ্য্যৰ কাৰণে বহু ভাৰতীয় ছাত্ৰক বৃত্তি দি জাৰ্ম্মানিলৈ লৈ গৈছে।

ব্যাকৰণ বা দৰ্শনতকৈ এটা ভাষা বহু ওপৰত। কবি সকলৰ মূলভাব বা কল্পনাই জীৱন্ত মুৰ্ত্তিয়েই সাহিত্যৰ বিকাশ সাধন কৰি

ভাষাক টনকীয়াল কৰে। সাহিত্যত শব্দই যুগে যুগে মোট সলনি কৰে। পুৰণা ভিত্তিতেই নতুন সাজ-পোচাক পৰিধান কৰি নতুন পোহৰৰ ৰেঙনি পেলাই।

সংস্কৃত ভাষা ভাৰতৰ পিতৃ ভাষা। সকলো ভাৰতীয় ভাষা এই পিতৃ ভাষা সংস্কৃতৰ পৰাই জন্ম। যি বিলাক শব্দৰ অৰ্থ আন ভাষাৰ দ্বাৰা প্ৰকাশ নহয় তেনে শব্দ বিদেশী ভাষাত আজিলৈকে চলি আছে। যদিও সংস্কৃত ভাষা আজি মৃত ভাষা তথাপি ইয়াৰ প্ৰভাব সমাজত আজিও আচৰিত ধৰণে বিৰাজ কৰিছে। বিদেশী পণ্ডিত যিমানেই শিক্ষিত নহওক তেওঁলোকৰ কাৰণে সংস্কৃত ভাষা বৰ কঠিন। সংস্কৃতৰ পৰা আন ভাষালৈ অনুবাদ নকৰা কিতাপ খুব কমহে আছে। প্ৰায় সকলো কিতাপ সংস্কৃতৰ মৌলিক অনুবাদ বুলিব পাৰি। বৰ্ত্তমান যুগৰ সাহিত্য জগতে সংস্কৃতৰ নিচিনা ৰসাল সাহিত্য শব্দৰ গাঁথনি চিন্তাৰ তৰঙ্গমালা বহু খিনি হেৰুৱালে। সংস্কৃত সাহিত্য অকল ভাৰতৰেই নহয় তথা পৃথিবীৰ মানবজাতীৰ পৈতৃক সম্পত্তি।

"বাইবেল'ৰ কঠোৰ ব্ৰত আৰু ন্যায় বিচাৰে বাইবেলক এখন খৃষ্টিয়ান ধৰ্ম্মৰ পবিত্ৰ গ্ৰন্থকে কৰি এৰা নাই এই গ্ৰন্থই ইংৰাজী ভাষাকে শক্তি আৰু মৰ্য্যাদাও দান কৰিছে।

জন্ম স্বতাধীকাৰী সূত্ৰে ইংৰাজ পণ্ডিত সকলে পুৰণি গ্ৰীক আৰু লেটীন ভাষা শিকিবলৈ বহু যত্ন কৰি আহিছে। এই যত্নৰ কাৰণেই ইংৰাজী ভাষাই বহু গ্ৰন্থ প্ৰকাশ কৰিছে। সেই কাৰণেই ইউৰোপৰ সাধাৰণ মানুহেও পুৰণি গ্ৰীক আৰু লেটীন ভাষাৰ তথ্য সুকলমে লব পাৰিছে। পৰিতাপৰ বিষয় যে আমাৰ ভাৰতীয় লোকে সংস্কৃত ভাষাৰ উন্নতিৰ কাৰণে একোৱেই যত্ন নললে। সংস্কৃত ভাষাৰ সৰ্ব্বাঙ্গিন উন্নতি সাধন কৰিবলৈ হলে এই ভাষাৰ চৰ্চ্চাত পুনৰ সৰ্ব্বান্তঃকৰণে আত্মনিয়োগ কৰিব লাগিব। তেহে আমাৰ গুপ্ত ও লুপ্ত মনোবল, প্ৰেৰণা, হেৰুৱা আত্মশক্তি ঘুৰাই পাম।

ৰসেৰে ভৰপুৰ সংস্কৃত সাহিত্যৰ উদ্যানত ফলে ফুলে জকমকাই থকা সংস্কৃত ভাষা আজি নীৰৱ নিস্তেজ মৃত্যুবৎপ্ৰায়।

শতাব্দী জুৰি এই সংস্কৃত ভাষা ভাৰতত চলিল। আনকি মধ্য এচিয়া, দক্ষিণ পূব এচিয়াতো বিয়পি পৰিল। সংস্কৃত কবিতাৰ আবৃত্তিয়ে সমাজৰ সংগঠন মধুময় কৰি তুলিছিল। ৭০০ শতাব্দীত আনকি এই সংস্কৃত ভাষা কম্বোদীয়া থাইলেণ্ডটো প্ৰচলিত হল। ভাৰতত সংস্কৃত ভাষাই অতি আচৰিত ধৰণে প্ৰভাব বিস্তাৰ কৰিলে।

দিল্লী সিংহাসনত আফগান শাসনকৰ্ত্তা সকল বহি সংস্কৃতৰ পৰিবৰ্ত্তে পাৰ্চীভাষা চলালে। পাৰ্চীভাষা আদালতৰ ভাষা হল যদিও বিদেশীৰ আক্ৰমণত ভাৰত জুকলা জুপুৰা হল, বৃটীশ শাসনৰ তলত শতাব্দী ধৰি ইংৰাজি ভাষা চলিল আৰু নতুন নতুন পৰিবৰ্ত্তনৰ সম্মুখিন হল তথাপি এই নানান ঘাট প্ৰতিঘাটৰ মাজেদিয়েই খুব কম পৰিমাণে হলেও ভাৰতত সংস্কৃত ভাষা আজিলৈকে চলিয়েই আছে। ইউৰোপত লেটীন ভাষা সংস্কৃত দৰে চলা নাই।

ইউৰোপত লেটীন ভাষা কিমান মানুহে কব পাৰে মই নাজানো। ভাৰতত কিন্তু বহুলোকেই সংস্কৃত কব পাৰে আৰু বুজি পায়। দক্ষিণাত্যৰ মানুহ বিশেষকৈ সংস্কৃতত অগাধ পণ্ডিত।

হিন্দী, মাৰাঠী আৰু উৰ্দ্দু যি সকলে জানে সেই সকলে সংস্কৃত ভাষাও জানে। কোনো কোনো শব্দ কৰ পৰানো উদ্ভৱ হৈছে সংস্কৃত নে পাৰ্চী সেই কথা কোৱা টান। দক্ষিণাত্যৰ দ্ৰাভিডিয়ান ভাষা যদিও সংস্কৃত ভাষাৰ পৰা ভেনেই পৃথক তথাপি এই ভাষাবো বহু শব্দ সংস্কৃত শব্দৰ লগত মিল আছে।

সংস্কৃতত লিখা বহু বিষয়ৰ কিতাপ মধ্য যুগৰ পৰা বৰ্ত্তমান সময়লৈকে চলিয়েই আছে। থাইলেণ্ডৰ চৰকাৰে আইন কানুন আৰু বিজ্ঞান দৰ্শন আদিৰ কিতাপত সংস্কৃত শব্দ ব্যৱহাৰ কৰে।

অতীত ভাৰতৰ পণ্ডিত সকলে শব্দৰ উচ্চাৰণত বিশেষ মূল্য দিছিল। তেওঁলোকৰ কবিতা ও গদ্যত সুৰৰ সামঞ্জস্য আছিল।

শুদ্ধ শব্দ ব্যৱহাৰ কৰাত বিশেষ যত্ন লৈছিল আৰু তাৰ বাবে নিয়মো বান্ধি দিছিল।

অতীজতে ভাৰতত ভাষা মুখে মুখে চলিছিল। পাচতহে লিপিবদ্ধ কৰা হয়। বৰ্ত্তমানৰ সকলো ভাৰতীয় ভাষাই সংস্কৃতৰ পৰাই অৱতৰণ কৰিছে। ভাৰতীয় ভাষাক সেই কাৰণে ইন্দু এৰিয়ান্ ভাষাও বোলে। হিন্দী, উৰ্দ্দু, বেঙ্গলী, মাৰাঠী, গুজৰাটী, উৰীয়া, অসমীয়া, হিন্দুস্থানী, ৰাজস্থানী পাঞ্জাবী, সিন্ধী আৰু কাশ্মীৰী আদি যিমান বিলাক ভাৰতীয় ভাষা আছে এই সকলো বিলাক সংস্কৃতৰ পৰাই আহিছে। দ্ৰাভিদিয়ান সকলৰ ভাষা তামিল, তেলেগু, কানাৰী আৰু মালয়ালম।

এই ১৫টা ভাষা গোটেই ভাৰত ব্যাপী আছে। এই বিলাক ভাষাৰ ভিতৰত উৰ্দ্দু মিহলি হিন্দী ভাষাৰ প্ৰচলন প্ৰায় সকলো প্ৰদেশতেই আছে। সাহিত্য আৰু আখৰৰ গঠনত এটা ভাষা দুই ৰকমে ব্যৱহাৰ হৈছে। কথা কওঁতে এই বিভিন্নতা বুজা নাযায়। সাহিত্যৰ গঠনত ও লিখনতহে এই বিভিন্নতা দেখা যায়। এই ব্যৱধান নিৰ্ম্মূল কৰি ভাৰতত এক সহজ সৰল হিন্দুস্থানী ভাষাৰ সৃষ্টি কৰিবলৈ যত্ন কৰা হৈছে।

পাক্‌টু বা পাচ্‌টু এটা ইণ্ডু-এৰিয়ান্ ভাষা। এই ভাষা সংস্কৃতৰ পৰা ওলাইছে। এই ভাষা উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশত জনাজাত। এই ভাষাৰ ওপৰত পাৰ্চী ভাষাই বেচি ৰকমে প্ৰভাব পেলাইছে। উত্তৰ পশ্চিম সীমান্ত প্ৰদেশে অতীত কালত সংস্কৃত ভাষাৰ বিদ্ব্যান, ব্যাকৰণবিদ্ ও অগাধ পণ্ডিত উদ্ভাবন্ কৰিছিল।

সিংহল দ্বীপৰ ভাষা সিংহলীজ। এই ভাষা ইণ্ডু এৰিয়ান্ ভাষাৰ পৰাই উদ্ভৱ হৈছে। সিংহলীজ ভাষা সংস্কৃতৰ পৰাই পোনপতীয়াকৈ ওলাই আহিছে। সিংহলৰ মানুহে ভাৰতৰ পৰাই বৌদ্ধ ধৰ্ম্ম গ্ৰহণ কৰে আৰু জাতিগত আৰু ভাষাগত ভাবেও ভাৰতৰ লগত সম্পূৰ্ণ মিল আছে।

সংস্কৃত ভাষাই ইউৰোপীয় সাহিত্যৰ ওপৰতো প্ৰভাব বিস্তাৰ

কৰিছে। "শ্লভনীক" সাহিত্যই সাধাৰণ বহু নিয়ম ও প্ৰণালী সংস্কৃত ভাষাৰ পৰাই গ্ৰহণ কৰিছে। লুথীয়ানীয়ান্ সাহিত্যিই ও সংস্কৃত সাহিত্যৰ যেনেই ওচৰ চাপিছে।

বৌদ্ধ দৰ্শন

বুদ্ধদেৱে সংস্কৃতৰ পৰা ওলাই অহা "প্ৰাকৃত" ভাষাকেই তেওঁ বসতি কৰা ঠাইত ব্যৱহাৰ কৰিছিল। বুদ্ধদেৱে সংস্কৃত ভাষা ভালকৈ জানিছিল। কিন্তু সৰ্ব্বসাধাৰণৰ লগত সহজে মনৰ ভাব ব্যক্ত কৰিবৰ সুবিধাৰ কাৰণে প্ৰাকৃত "ভাষা ব্যৱহাৰ কৰিছিল। এই প্ৰাকৃত ভাষাৰ পৰাই "পালী" ভাষাৰ উৎপত্তি। এই "পালীভাষা" বৌদ্ধ ধৰ্ম্মৰো আগৰ ভাষা।

সিংহল, ব্ৰহ্মদেশ আৰু শ্যাম্ দেশে বৌদ্ধধৰ্ম্মৰ "হীনয়ান্" পন্থা মানি চলে। বুদ্ধদেৱৰ মৃত্যুৰ পাচত "বুদ্ধদেৱৰ" কোৱা কথা আৰু "মতামত" সমূহ "পালী" ভাষাত লিখি প্ৰচাৰ কৰে।

বুদ্ধদেৱৰ মৃত্যুৰ ১০০ বছৰৰ পাচত ভাৰতত সংস্কৃত ভাষাৰ পুনৰ প্ৰচলন হয়। "অশ্বঘোচৰ" সংস্কৃত কাব্য চীন, জাপান, তিব্বত আৰু মধ্য এচিয়াত বিয়পি পৰে। ইয়াতেই বৌদ্ধধৰ্ম্মৰ 'মহাজন' পন্থা প্ৰচাৰ হয়।

বুদ্ধদেৱে ভাৰতত জন্মগ্ৰহণ কৰা কালছোৱাত জ্ঞান বিজ্ঞানৰ অন্বেষণ, মনৰ বিকাশ সাধন আদিত ভাৰতীয় সকল গভীৰ ভাবে লিপ্ত আছিল। ভাৰতত অৰ্থনৈতিক আৰু ভাগবৎ গীতাই বৌদ্ধধৰ্ম্ম আৰু জৈন্য ধৰ্ম্মতকৈ প্ৰাধান্যতা লাভ কৰে।

সামাজিক ও ৰাজনৈতিক বিপ্লবে ভাৰতত গভীৰ ভাবে ৰেখাপাত কৰাত সমাজৰ বহু বিভেদ প্ৰণালীয়ে মূৰ দাঙি উঠিল আৰু বহু বাক্ বিতণ্ডাৰ সৃষ্টি কৰিলে। বুদ্ধদেৱে এনে বিলাক অৰ্থহীন বাক্ বিতণ্ডাৰ পৰা মানুহক আঁতৰাই ৰাখিবলৈ যত্ন কৰিছিল। তেওঁৰ মতে জীৱন

নদীৰ প্ৰধান সোঁতৰ ধাৰাতেহে আচল সত্য উপলব্ধি কৰিব লাগে তৰ্কৰ যোগেদি নহয়। ধৰ্ম্মৰ সহজ ৰীতি নীতিত তেওঁ বেচি গুৰুত্ব আৰোপ কৰে।

গৌতম বুদ্ধই হিন্দুৰূপে জন্মগ্ৰহণ কৰে। হিন্দুৰূপে শৈশবৰ কাল নদীত লীলা খেলা কৰে আৰু হিন্দুৰূপেই মৃত্যুক আলিঙ্গন কৰে। মহাশূন্যকেই বৌদ্ধদৰ্শনে সকলো সময়েতেই উদ্ভুকিয়াই আহিছে আৰু মহাশূন্যৰ পৰাই যে সকলোৰে উৎপত্তি তাকো প্ৰমাণ কৰে।

বৌদ্ধ ধৰ্ম্মৰ চিন্তা ধাৰা (৪) চাৰিটা। ২টা হীনয়ান পন্থাৰ আৰু ২টা মহাজন পন্থাৰ। উপনিষদেই হল বৌদ্ধধৰ্ম্মৰ মূল ভেত্তি। উক্ত চাৰিটা ধাৰাই বেদৰ ক্ষমতাক গ্ৰাহ্য নকৰে।

প্ৰফেচাৰ ডক্তৰ ৰাধাকৃষ্ণণে বৌদ্ধ দৰ্শন দুই ভাগে বিভক্ত কৰিছে। জ্ঞানৰ দ্বাৰাই মনোবিজ্ঞানে পোনপটীয়াকৈ কোনো পদাৰ্থৰ ওপৰত প্ৰথমেই প্ৰভাব পেলায়। দ্বিতীয় স্তৰত ধাৰণাক মধ্যস্থতা কৰি মনে বাস্তৱতাক উপলব্ধি কৰিবলৈ কৰা প্ৰয়াস। গতিকে পদাৰ্থ আৰু মনৰ মধ্যস্থলত এখন পৰ্দ্দা আছে। এই দুয়োটা স্তৰেই হীনয়ান্ পন্থাৰ চিন্তাধাৰা।

মহাজন পন্থাই পদাৰ্থক পিচত ৰাখি কল্পনাৰ মূৰ্ত্তিকহে আগতে দাঙ্গি ধৰি কল্পনাৰে জীৱনৰ অভিজ্ঞতা সমূহক মনৰ পৰা বাদ দিছে।

এনেভাবেই আমি সকলোটি আহি শূন্যময়তেই উপনীত হলো। আমাৰ সীমাবদ্ধ চিন্তাই ইয়াক ধুকি নাপায়।

মহাশূন্য বা অসীম আমি কল্পনাৰেও ধুকি নোপোৱা কৰবাত আছে। আমি ব্যক্ত কৰিব নোৱাৰো।

বৌদ্ধধৰ্ম্মই যে ভাৰতৰ জাতিয় জীৱনত বহু প্ৰভাৱ পেলাইছে তাত কোনো সন্দেহ নায়। বুদ্ধদেৱে ভবা নাছিল যে তেওঁ এজন নতুন ধৰ্ম্ম প্ৰবৰ্ত্তক হব। কি জানিবা তেওঁ ভাবিছিল এজন ধৰ্ম্ম সংস্কাৰক বুলিহে। তেওঁৰ ব্যক্তিত্বৰ স্বাভাবিক শক্তিয়ে আৰু সমাজৰ প্ৰচলিত কু-অভ্যাসে তেওঁক সেই সমাজৰ কু-আচাৰ নীতিৰ গতিৰোধ কৰিবলৈ

তেওঁক সুদৃঢ় কৰি তুলিলে। তেওঁ সমাজত ন্যায় প্ৰতিষ্ঠা কৰিবলৈ জীৱন সংগ্ৰামত নামি পৰিল।

যি কোনো ৰূপতেই নহওক বুদ্ধদেৱে ব্ৰাহ্মণ সকলৰ কাৰ্য্যকলাপ আৰু আচাৰ ব্যৱহাৰত আস্থা হেৰুৱাই আৰু সমাজ সংস্কাৰক ৰূপে কামত আগবাঢ়ি যায়।

বৌদ্ধধৰ্ম্ম প্ৰথমাৰম্ভাত মগধত প্ৰচাৰ হয়। এই মগধ ভাৰতবৰ্ষৰ উত্তৰাঞ্চলত। ইয়াত ব্ৰাহ্মণ সকলৰ ক্ষমতা একেবাৰে দুৰ্ব্বল। বৌদ্ধধৰ্ম্মই ক্ৰমান্বয়ে ভাৰতৰ পশ্চিম আৰু উত্তৰাংশলৈ গতি কৰে। বহু ব্ৰাহ্মণেই এই বৌদ্ধধৰ্ম্ম মানি লয়। এইটো এটা ক্ষত্ৰিয়ৰ গতিয়েই বুলিব পাৰি। ব্ৰাহ্মণ সকলে যেতিয়া বৌদ্ধধৰ্ম্ম গ্ৰহণ কৰিলে তেতিয়াই মহাজন পন্থাৰ সৃষ্টি হল।

বৌদ্ধধৰ্ম্মই ভাৰতবৰ্ষৰ মানুহৰ জীৱন পথৰ বহু ভাবে প্ৰভাৱ পেলায়। এই বৌদ্ধধৰ্ম্ম ভাৰতবৰ্ষত এহেজাৰবো অধিক কাল চলি আহিছে। যদিও ভাৰতবৰ্ষত বৌদ্ধধৰ্ম্মই গা কৰিব নোৱাৰিলে তথাপি এই ধৰ্ম্মৰ বহু মৰ্ম্ম ও হেতুপোদেশ হিন্দুধৰ্ম্মই আকোঁৱালি ললে। এই মৰ্ম্ম আৰু হেতুপোদেশ বিলাক এতিয়া জাতীয় জীৱনৰ অঙ্গ স্বৰূপ। খৃষ্ট ধৰ্ম্মই যেনেকৈ ইউৰোপত মানুহৰ মনত চিৰ যুগমীয়া চিন থলে তেনেকৈয়েই বৌদ্ধধৰ্ম্মইয়ো ভাৰতীয় মানুহৰ মনত চিৰ যুগমীয়া স্মৃতি ৰাখি থৈ গল।

ভাৰতত আৰ্য্য সকলৰ বিশ্বাস জাতীয় ধৰ্ম্মতেই। এই ধৰ্ম্ম একে ঠাইতেই আৱদ্ধ। সমাজৰ জাতি বিভাজনেও সেই একে কথাকেই উনুকিয়াই।

ধৰ্ম্ম প্ৰচাৰৰ কাৰণে আৰ্য্য সকলে কোনো মিশনৰ ব্যৱস্থা কৰা নাছিল। গতিকে ভাৰতৰ হিন্দু ধৰ্ম্ম সীমান্তৰ বাজ নহল। এই হিন্দু ধৰ্ম্ম ভাৰতৰ ভিতৰতে জনা নজনাৰ মাজেদিয়েই নতুন আৰু পুৰণি ভাবৰ বিনিনিয়ত কোনো বাধা বিঘিনিৰ সম্মুখিন নোহোৱাকৈ নতুন নতুন একো একোটা জাতিৰ সৃষ্টি কৰি চলি থাকিল। ভাৰতীয়

জনগণৰ জীৱন সমূদ্ৰ নিজৰেই সৃজন। এই জীৱন সমুদ্ৰত কেতিয়াবা কেতিয়াবা একো একোটা ঢৌ আহি বাগৰি যায়। এনে জীৱন সমুদ্ৰতেই গৌতম বুদ্ধই বৌদ্ধধৰ্ম্মৰ সোঁত বোৱাই জনসমুদ্ৰত নতুন জাগৰণ আনিলে। এই ধৰ্ম্ম বিশ্বমানবৰ শান্তি আৰু কল্যানৰ কাৰণে আৰু জনসমাজত চলি থকা অন্যায়ৰ বিৰুদ্ধে।

বুদ্ধদেৱৰ দিনত এই ধৰ্ম্মই ভাৰতৰ অতি উৎকৃষ্ট ধৰ্ম্ম। মহাৰাজ অশোকে বৌদ্ধধৰ্ম্ম প্ৰচাৰৰ কাৰণে বৌদ্ধ মিশন গঠন কৰি বিদেশলৈ পঠায়। এই ধৰ্ম্মৰ প্ৰভাৱ পৰাত খ্ৰীষ্টীয় শকে দূৰ সুদূৰত ঔপনিবেশ স্থাপন কৰিবলৈ সক্ষম হয়।

সাগৰৰ অভিযান সমূহত ভাৰতৰ শাসনকৰ্ত্তা সকলে আৰ্য্য সকলৰ সভ্যতা আৰু ব্ৰাহ্মণ সকলৰ ধৰ্ম্মৰ নিয়ম প্ৰণালী লগত নি সাগৰৰ সিপাৰে প্ৰচাৰ কৰিছিল। ধৰ্ম্মত ওপজা গাঢ় বিশ্বাসেই আত্ম বিশ্বাস আৰু আত্ম জ্ঞানৰ বিকাশ সাধন কৰে। হিন্দুধৰ্ম্ম চলন্ত শক্তিৰূপে ভাৰতৰ হিন্দু সমাজতে বল।

বৈদিকযুগৰ যাগযজ্ঞাদিৰ বহু নিয়ম প্ৰণালী লাহে লাহে লোপ পাই আহিল। বিশেষকৈ লোপ পালে জন্তু হত্যা। বৌদ্ধধৰ্ম্ম আৰু জৈন্য ধৰ্ম্মই বেদ আৰু উপনিষদৰ অহিংসাৰ বীজাণু মানব সমাজত সিচি দিয়ে।

বুদ্ধদেৱে বিষয় সুখ ত্যাগ আৰু সন্যাস ধৰ্ম্মত কোনো গুৰুত্ব আৰোপ কৰা নায়। জীৱনৰ প্ৰতি জন্মা দুখবাদকে লৈ তেওঁৰ প্ৰচলন কৰা ধৰ্ম্মৰ মূল ভেটি। হীনয়ান্ পন্থা এই নিয়মৰ পৰিপুৰক। ইয়াৰ উপৰিও দুখ দুৰ্গতিৰে ভৰা সংসাৰৰ অন্যান্য ক্লেশৰ পৰা মুক্তি পাবলৈয়ো যত্ন কৰে। ইন্দ্ৰিয় সংযম কৰাতো তেওঁ বিশেষ গুৰুত্ব দিছিল। ফল মূল ভক্ষণত বিশেষ ভাবে উৎসাহ দিয়ে। এই নিয়ম বুদ্ধদেৱৰ আগেয়েও ভাৰতত আছিল।

ব্যক্তিক সকলোফালৰ পৰা পাৰ্গত কৰি তোলায়েই আছিল আৰ্য্য সকলৰ বিশেষত্ব! ছাত্ৰ জীৱনৰ পথ সংযমী ও শিষ্টাচাৰ আৰু

গৃহস্থ জীৱনৰ পথ সম্পূৰ্ণ আত্মনিৰ্ভৰশীল। মাইকী মানুহক জীৱনৰ অংশ স্বৰূপে গন্য কৰিছিল। এনে ভাবেই আৰ্য্যসকলৰ দিনত হিন্দু-ধৰ্ম্ম পাৰিপাৰ্শ্বিকতাৰ বিনিময়ও সমাজত চলি ব'ল। বনত সৰু সৰু সন্যাসীৰ দলে দেহ ৰক্ষাৰ নিয়ম সংযমেৰে ছাত্ৰ সকলৰ মন আকৰ্ষন কৰে!

বৌদ্ধধৰ্ম্ম প্ৰচাৰৰ লগে লগে য'তে ত'তে বৌদ্ধমন্দিৰ গঢ়ি উঠিল। মন্দিৰত বৌদ্ধ সন্যাসীৰ সংখ্যাও বাঢ়িল। বৌদ্ধ বিহাৰৰ পৰাই বৰ্ত্তমান বিহাৰ প্ৰদেশৰ নামাকৰণ। এই বৌদ্ধ বিহাৰ বা মন্দিৰ গোটেই মধ্য এচিয়াতেই গঢ়ি উঠিল! ভাৰততেই কেৱল সজ্জা হৈ নৰ'ল। বালুখাট সজ্জা বৌদ্ধ মন্দিৰ সকলোতকৈ বিখ্যাত আছিল। এই বৌদ্ধ মন্দিৰত ১০০০ জন বৌদ্ধ সন্যাসীয়ে আশ্ৰয় লয়। ইয়াক "নৱ বিহাৰো" বোলে। পাৰ্চীত "নৌ বিহাৰ"।

বৌদ্ধধৰ্ম্ম ভাৰতৰ বাহিৰ হৈ চীন জাপান, আৰু ব্ৰহ্মদেশত বিস্তাৰিত হয়। চীন আৰু জাপানে "মহাজন" পন্থা পালন কৰে। এই পন্থাই "ডুখবাদক" অবজ্ঞা কৰে। বৌদ্ধ ধৰ্ম্মই ভাৰতত বিশেষ এটা কথাৰ কাৰণে স্থান নাপালে। জাতি বিভাজন নীতি ভাৰতত প্ৰবল হৈ উঠিল। বৌদ্ধ ধৰ্ম্মই জাতি বিভাজন নীতিক অতি তুচ্চ নীতি আৰু সমাজৰ নিম্ন খাপৰ বুলি গন্য কৰে! জন্মস্বত্বতকৈ বুদ্ধদেৱে চৰিত্ৰ, কাৰ্য্যদক্ষতা বানিজ্য আৰু ব্যৱসায়ত বেচি গুৰুত্ব দিছিল। বুদ্ধদেৱে "ব্ৰাহ্মণ" শব্দ ব্যৱহাৰ কৰিছিল তেওঁৰ অনুগামী আগ্ৰহশীল আৰু চৰিত্ৰবান শিষ্যৰ ওপৰতহে। এই বিষয়ে এটা গল্প আছে। "সত্যকমাৰ মাক জবলা। সত্যকমাই গৌতমৰ ছাত্ৰ হবৰ মন কৰিছিল। এই গৌতম "গৌতম বুদ্ধ" নহয়। যাবৰ সময়ত সত্যকমাই মাকক সুধিলে "মা মই কোন গোত্ৰৰ অৰ্থাৎ পৰিয়াল বা শ্ৰেণীৰ। মাকে কলে" মই নাজানো সোন তুমি কোন বংশধৰ। যেতিয়া মই মোৰ দেউতাৰ ঘৰত আছিলো আলহীক শুশ্ৰূষা কৰাই আছিল মোৰ কাম। তেতিয়াই তোমাক মই গৰ্ভত ধাৰন কৰিছো। মই